দৈনিক জনমভূমি
18/7/15

গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। dhingmb.in নামৰ ৱেবছাইটটো মুকলি কৰে।

# এন আৰ চি ঃ শুৱালকুছিত অস্তিত্বহীন বিদ্যালয়ৰ নামতো প্ৰমাণ-পত্ৰ প্ৰদান

**শুৱালকুছি ঃ** নিজা বাতৰি দিওঁতা, ১৭ জুলাই ঃ অসমত সম্প্ৰতি চলি থকা এন আৰ চিৰ তথ্য-পাতি সংক্ৰান্তত এচাম অসাধু চক্ৰৰ কপাল ফুলিছে। আমাৰ হাতত পৰা তথ্য অনুসৰি জালুকবাৰী সমষ্টিৰ শুৱালকুছিত অস্তিত্বহীন বয়ন শিল্পী নৈশ বিদ্যালয়ৰ প্ৰমাণ-পত্ৰ দি ধন ঘটাত ব্যস্ত হৈ পৰিছে। নৈশ বিদ্যালয়খন ২০০০ চনতে মাটিৰ অভাৱত বন্ধ হয় যদিও তেতিয়াৰ প্ৰধান শিক্ষক পূব শুৱালকুছিৰ চিন্তামণি দাসে বাধাহীনভাৱে শদিয়াৰ পৰা ধুবুৰীলৈ বিভিন্ন লোকক স্কুলৰ প্ৰমাণ-পত্ৰ দি আহিছে। নিৰ্বাচনৰ ভোটাৰ তালিকা আৰু সম্প্ৰতি এন আৰ চিৰ তথ্যৰ বাবে ২০০-ৰ পৰা ব্যক্তি বিশেষে এহাজাৰ টকা পৰ্যন্ত আদায় লৈ প্ৰমাণ-পত্ৰ দি ৰমৰমীয়া ব্যৱসায় চলাই আহিছে। উল্লেখযোগ্য যে কালি দিয়া প্ৰমাণ-পত্ৰখন ৭/৫/২০০১ চনত দিয়া দেখুৱাইছে। উক্ত লোকজনে ইয়াৰ পূৰ্বে ভুৱা বিদ্যালয়খনৰ প্ৰমাণ-পত্ৰ দি আদালতৰ কাঠগৰাত উঠাৰ পিছতো শিক্ষা বিভাগক কেৰেপ কৰা নাই। সাধাৰণ লোকক ভুৱা প্ৰমাণ-পত্ৰ দি মুনাফা লুটা উক্ত কলংকিত প্ৰধান শিক্ষকজনৰ বিৰুদ্ধে ৰাজ্য চৰকাৰৰ শিক্ষা বিভাগ আৰু শিক্ষামন্ত্ৰী শৰৎ বৰকটকীক শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে স্থানীয় ৰাইজে।